সম্প্ৰীতিৰ জয়গানেৰে উজলিল দৰঙৰ চাউলখোৱা-ৰৌমাৰী চৰাঞ্চল

# ‘বন্ধুত্বৰ সাঁকো’ৰে অসম সাহিত্য সভাৰ সম্প্ৰীতিৰ নিদৰ্শন




(বাওঁপিনে) চৰ অঞ্চলৰ এজন শিশুৰ দ্বাৰা অসমীয়া ভাষাৰ জয়গান আৰু (সোঁপিনে) মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি আৰু অন্যান্য বিষয়ববীয়া

অসমৰ বৃহত্তৰ চৰ-চাপৰিৰ জনসাধাৰণক বাদ দি অসমৰ উন্নয়ণ সম্ভৱ নহয়। অসমৰ ভাষা-সাহিত্য-সংস্কৃতি সমৃদ্ধ কৰা এই বৃহৎ জনসমষ্টি প্ৰমুখ্যে সকলো জনগোষ্ঠী, জনজাতি ঐক্যবদ্ধ হৈ থাকিলে বিশ্বৰ এনে কোনো শক্তি নাই যি এই একতা ব্যাহত কৰিব পাৰিব, বিভাজন কৰিব পাৰিব। অসমীয়া ভাষা আৰু অসম সাহিত্য সভাৰ প্ৰতি থকা তেওঁলোকৰ আগ্ৰহ আৰু দায়বদ্ধতা আজিৰ এই বিশাল জনসমাৱেশেই সন্দেহাতীত ভাৱে প্ৰমাণ কৰিছে—এই ভাষ্য অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ।

দৰং জিলাৰ অন্যতম চৰাঞ্চল বৰলেখাইতী সমন্বয় ক্ষেত্ৰত চাউলখোৱা ৰৌমাৰী সাহিত্য সভাৰ আতিথ্যত আৰু দৰং জিলা সাহিত্য সভাৰ উদ্যোগত যোৱা ১০ ফেব্ৰুৱাৰি, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে অনুষ্ঠিত অসম সাহিত্য সভাৰ চৰ-চাপৰি ভাষা বিকাশ উপ-সমিতিৰ কেন্দ্ৰীয় অনুষ্ঠান ‘বন্ধুত্বৰ সাঁকো’ শীৰ্ষক মনোজ্ঞ আৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথিৰূপে ভাষণত সভাপতি ড° শইকীয়াই এইদৰে কয়। বিভিন্ন জনগোষ্ঠীৰ লোক-কৃষ্টিৰ সমাহেৰে সমৃদ্ধ অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰতিদিন টাইমছৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াই ‘আমি সংঘাত নহয় সম্প্ৰীতি বিচাৰো। সংঘাতে নহয় সম্প্ৰীতিয়েহে অসমৰ প্ৰগতি সাধিব’ বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। ‘আপোনালোকক এচাম লোকে ৬৫ শতাংশ, ৩৫ শতাংশ সূত্ৰেৰে অসমখনক, অসমীয়া জাতিক ভাগ ভাগ কৰাৰ যি ষড়যন্ত্ৰত লিপ্ত হৈছে তাত আপোনালোকে আসৈ নিদিব। বড়ো, দেউৰী, ৰাভা, মিছিং, খিলঞ্জীয়া মুছলমান, বংগীয় মূলৰ চৰ-চাপৰিৰ মুছলমান সকলো মিলি হে অসমীয়া জাতি আৰু সকলোৰে মিলিজুলি থাকিলেহে অসমৰ শান্তি-সম্প্ৰীতি-প্ৰগতি সম্ভৱ,’ শইকীয়াই কয়। অনুষ্ঠানত অন্যতম বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে প্ৰতিভাশালী অভিনেতা পৃথ্বিৰাজ ৰাভাই।

চৰ-চাপৰি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি আবেদুৰ ৰহমানে সঞ্চালনা কৰা আৰু বিশিষ্ট সাহিত্যিক, সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য থানেশ্বৰ মালাকাৰে উদ্বোধন কৰা এই বিশাল কাৰ্যসূচীৰ আঁত ধৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদব শৰ্মা আৰু দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামীয়ে।

আদৰণি সমিতিৰ সভাপতি শ্বাহানুদ্দিন আহমেদে আদৰণি ভাষণ দিয়া অনুষ্ঠানৰ শুভাৰম্ভ হয় সমন্বয়ক মুকুট চন্দ্ৰ হাজৰিকা আৰু সংগীত পৰিচালক দীনবন্ধু চহৰীয়াৰ পৰিচালনাত জ্ঞান বিকাশ জাতীয় বিদ্যালয় আৰু ধনপতি ডেকা জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা ‘চিৰ চেনেহী মোৰ ভাষা জননী...’ গীতেৰে।

দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন ৰাজবংশীৰ সভাপতিত্বত অনুষ্ঠিত এই বৰ্ণাঢ্য সভাত উপস্থিত থাকে দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূঞা, মাতৃভাষা আৰু ৰাজ্যভাষা প্ৰয়োগ উপ-সমিতিৰ আঞ্চলিক আহ্বায়ক ৰাণা আলম, সাংস্কৃতিক উপ-সমিতিৰ আহ্বায়ক মৃন্ময় নাথ, প্ৰচাৰ উপ-সমিতিৰ সহযোগী আহ্বায়ক মুকুট ৰাজ শৰ্মা, যুৱ সংসদৰ সহযোগী আহ্বায়ক মিজান নুৰ ৰহমা, ৰৌমাৰী গাঁও পঞ্চায়তৰ সভাপতি প্ৰসন্ন ডেকা আৰু চাউলখোৱা গাঁও পঞ্চায়তৰ সভানেত্ৰী আখতাৰা ছাজিনা বেগম। চাউলখোৱা-ৰৌমাৰী সাহিত্য সভাৰ সভাপতি ফৰিজুল হকে পুৰা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰাৰ পিছতে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু অন্যান্য অতিথিসকলক লৈ উলিওৱা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি দেবেন্দ্ৰনাথ বসুমতাৰীয়ে। বিভা কলিতাৰ বিহুৰ গীতৰ উপৰি স্থানীয় আৰু সাহিত্য সভাৰ শিল্পীৰ গীতে-মাতে অনুষ্ঠান জীপাল কৰি তোলে আৰু শেষত সভাপতি কুলধৰ শইকীয়াই আজীৱন সভ্যৰ প্ৰমাণ পত্ৰ বিতৰণ কৰে।

০০০০